**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-JAN-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১৮ জানুৱাৰীত কলিয়াবৰৰ পৰা নুমলীগড়লৈকে নিৰ্মাণ হ'বলগীয়া ৪ লেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপনৰ কাৰ্যসূচী।
২।	বোকাখাতত আজি মুখ্যমন্ত্ৰীৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত মহিলাসকলৰ মাজত চেক বিতৰণ।
৩।	ৰাজ্যত শীতৰ প্ৰকোপ বৃদ্ধি। কেইবাখনো জিলাত বিদ্যালয়ৰ পাঠদান বন্ধ ঘোষণা।
৪।	শোণিতপুৰ জিলাৰ বুঢ়াচাপৰি বন্যপ্ৰাণী অভয়াৰণ্যৰ ৮৩০ হেক্টৰ ভূমিত প্ৰশাসনৰ উচ্ছেদ অভিযান। **আৰু**
৫।	অসম গ্ৰন্থমেলাৰ আজি সামৰণি। ত্ৰয়োদশ দিন পৰ্যন্ত মুঠ ৬ কোটি ৮০ লাখ টকাৰ গ্ৰন্থ বিক্ৰী।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৭ আৰু ১৮ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে পুনৰ অসম ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ অংশ স্বৰূপে প্ৰধানমন্ত্ৰীগৰাকীয়ে ১৮ জানুৱাৰীত কলিয়াবৰৰ পৰা নুমলীগড়লৈকে নিৰ্মাণ হ'বলগীয়া ৪ লেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। এই সময়ছোৱাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কলিয়াবৰৰ মৌচন্দা পথাৰত এখন বিশাল জনসভাত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰীয়ে জনসভাত অংশগ্ৰহণ কৰিবলগীয়া মৌচন্দা পথাৰত কালি নিশা উপস্থিত হৈ প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীৰ লগতে সেই স্থানত মন্ত্ৰী কেশৱ মহন্ত আৰু পীযূষ হাজৰিকাও উপস্থিত থাকে। প্ৰস্তুতিৰ বুজ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত এইদৰে কয়—

**বাইট (চি এম)**

ইপিনে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি সৰুপথাৰত ৭২ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে সৰুপথাৰ বিধানসভা সমষ্টিৰ ২৩ হাজাৰ ৭৫৪ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত মহিলা উদ্যমিতা অভিযানৰ ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। ড° শৰ্মাই সৰুপথাৰত ১২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা লাভলীনা বৰগোহাঁই ক্ৰীড়া প্ৰকল্প উদ্বোধনৰ লগতে বৰপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱন, বৰপথাৰ শিশু উদ্যান আৰু গেলাবিল আৰু দুবৰণি পথ উদ্বোধন কৰে। তেওঁ লগতে অসম মালাৰ অধীনত ২৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া বৰপথাৰ-গোলাঘাট সংযোগী পথৰ প্ৰথম পৰ্যায় আৰু মিছামাৰী-বিলপথাৰ তথা অভংপথাৰ-শ্যামগাঁও মথাউৰিৰ আধাৰশিলা স্থাপন কৰে। কালি লাভলীনা বৰগোহাঁই ক্ৰীড়া প্ৰকল্পত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী অজন্তা নেওগ, কাজিৰঙাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকন উপস্থিত থাকে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বোকাখাত বিধানসভা সমষ্টিত আজি কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন কৰাৰ লগতে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত মহিলাসকলৰ মাজত চেক বিতৰণ কৰিব। এই উপলক্ষে বোকাখাতৰ জেনেৰেল ষ্টেডিয়ামত আজি দিনৰ চাৰে ১০ বজাত আয়োজিত অনুষ্ঠানত

মুখ্যমন্ত্ৰীগৰাকীয়ে লোকনিৰ্মাণৰ পথ বিভাগৰ অধীনত মুঠ ৬ হাজাৰ ৯০৪ লাখ টকা ব্যয়ৰে ১৬টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীয়ে লোকনিৰ্মাণৰ গৃহ নিৰ্মাণ বিভাগৰ অধীনত ৬ কোটি ৪৮ লাখ টকা ব্যয়ৰ আন এটা প্ৰকল্প, জলসিঞ্চন বিভাগৰ অধীনত ২ কোটি ৪ লাখ টকা ব্যয়ৰ আন প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব। আনহাতে লোকনিৰ্মাণৰ পথ বিভাগৰ অধীনত ৫ হাজাৰ ৬৪৬ লাখ টকা ব্যয়ৰে নিৰ্মিত মুঠ ১৩টা প্ৰকল্প আৰু লোকনিৰ্মাণৰ গৃহ নিৰ্মাণ বিভাগৰ অধীনত ৬ কোটি ৮ লাখ টকা ব্যয়ৰে নিৰ্মিত তিনিটা প্ৰকল্প আজি মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰিব। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অধীনত ৮৪ লাখ টকাৰে নিৰ্মিত ৪টা প্ৰকল্প, জলসিঞ্চন বিভাগৰ অধীনত ৮৬ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা এটা প্ৰকল্প আৰু পশুপালন আৰু পশু চিকিৎসা বিভাগৰ অধীনত ৩৪ লাখ টকা ব্যয়ৰে নিৰ্মিত আন প্ৰকল্পৰো আজি মুখ্যমন্ত্ৰীগৰাকীয়ে উদ্বোধন কৰিব। তদুপৰি বোকাখাত বিধানসভা সমষ্টিৰ অধীনৰ আত্মসহায়ক গোটৰ ২৭ হাজাৰ ১৬৬ গৰাকী মহিলাৰ মাজত তেওঁ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাৰ চেক বিতৰণ কৰিব। এই অনুষ্ঠানত কৃষিমন্ত্ৰী অতুল বৰা, কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাও উপস্থিত থাকিব।

০০০০০০

বিগত প্ৰায় এসপ্তাহ ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰী শীতৰ কবলত পৰিছে। কালিও গোটেই দিনটো ঘন কুঁৱলীয়ে মহানগৰীৰ চৌপাশ আৱৰি ৰখাৰ ফলত দৃশ্যমানতা হ্ৰাস পায়। বৰঝাৰৰ বতৰ বিজ্ঞান কেন্দ্ৰৰ সূত্ৰই জনোৱা মতে গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত অহা ৭ দিনত সৰ্বনিম্ন তাপমাত্ৰা ১২ ডিগ্ৰী চেলছিয়াছলৈ হ্ৰাস পাব। সূত্ৰটোৱে প্ৰকাশ কৰা মতে সৰ্বোচ্চ তাপমাত্ৰা স্বাভাৱিকতকৈ হ্ৰাস পোৱাৰ বাবে দিনৰ ভাগতো জনসাধাৰণে প্ৰচণ্ড শীত অনুভৱ কৰিছে। গুৱাহাটীত কালি সৰ্বোচ্চ তাপমাত্ৰা ২০ ডিগ্ৰী চেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৪ দশমিক ৭ ডিগ্ৰী চেলছিয়াছ ৰেকৰ্ড কৰা হয়। একেদৰে ডিব্ৰুগড়ত সৰ্বোচ্চ তাপমাত্ৰা ২৫ দশমিক ৪ ডিগ্ৰী আৰু সৰ্বনিম্ন ৯ দশমিক ৪ ডিগ্ৰী চেলছিয়াছলৈ হ্ৰাস পায়। তেজপুৰত সৰ্বোচ্চ ১৯ ডিগ্ৰী আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী আৰু শিলচৰত সৰ্বোচ্চ ১৯ ডিগ্ৰী আৰু সৰ্বনিম্ন ১২ ডিগ্ৰী, যোৰহাটত সৰ্বোচ্চ ১৯ দশমিক ৩ ডিগ্ৰী আৰু সৰ্বনিম্ন প্ৰায় ১০ দশমিক ১ ডিগ্ৰী ছেলছিয়াছ তাপমাত্ৰা ৰেকৰ্ড কৰা হয়। পৰৱৰ্তী কেইটামান দিনতো ঘন কুঁৱলী অব্যাহত থকাৰ লগতে শীতৰ প্ৰকোপ বৃদ্ধি পাব বুলি কোৱা হৈছে।

শীত প্ৰবাহ আৰু ঘন কুঁৱলীৰ বাবে বিগত ২৪ ঘণ্টাত দেশৰ বিমান পৰিবহণ সংস্থাসমূহে ভালেসংখ্যক ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় বিমানৰ সেৱা বাতিল কৰে। কেইবাটাও বিমান বন্দৰত ইয়েল্ল' এলাৰ্ট জাৰি কৰা হৈছে।

ৰে'ল বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে, সমগ্ৰ উত্তৰ ভাৰতত ঘন কুঁৱলীৰ বাবে ভালেসংখ্যক ৰে'ল পলমকৈ চলাচল কৰাবলগীয়া হৈছে। সৰ্তকতামূলক ব্যৱস্থা হিচাপে ৰে'লৰ গতি হ্ৰাস কৰা হৈছে। উত্তৰ ভাৰতত দ্বাদশ শ্ৰেণী পৰ্যন্ত বিদ্যালয়সমূহত পাঠদান শীতৰ বাবে বন্ধ ৰখা হৈছে।

ৰাজ্যৰ বিভিন্ন স্থানত শীতপ্ৰবাহে জনজীৱন একপ্ৰকাৰ স্থবিৰ কৰি তুলিছে। মৰিগাওঁ জিলাতো শীতপ্ৰবাহে প্ৰাত্যহিক জনজীৱন স্থবিৰ কৰি তুলিছে ইয়াৰ পৰিপ্ৰেক্ষিতত মৰিগাওঁ জিলাৰ সকলো চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয় জিলা প্ৰশাসনে আজি বন্ধ ঘোষণা কৰিছে।

নলবাৰী জিলাৰ বিদ্যালয়সমূহ ৫ দিনৰ বাবে বন্ধ ঘোষণা কৰা হৈছে। এই সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা ৰমেন কলিতা –

**বাইট**

ৰাজ্যত অব্যাহত থকা প্ৰচণ্ড শীতৰ বাবে শিক্ষাৰ্থীসকলৰ সুবিধা হোৱাকৈ বিদ্যালয়সমূহৰ সময়সীমা পৰিৱৰ্তন কৰাৰ বাবে অসম হাইস্কুল শিক্ষক সংস্থাই কালি বজালী জিলাৰ আয়ুক্ত মৃদুল কুমাৰ দাসলৈ এখন আবেদন পত্ৰ প্ৰদান কৰে। শিক্ষক সংস্থাৰ বজালী জিলা সমিতিৰ হৈ সমিতিৰ সভাপতি কনক চন্দ্ৰ দাস আৰু সম্পাদক চাণক্য

দাসে আবেদনখনত অতিপাত শীতৰ বাবে যোৱা কিছুদিন ধৰি শিক্ষাৰ্থীৰ উপস্থিতি হ্ৰাস হোৱা আৰু উপস্থিত থকা শিক্ষাৰ্থীসকলকো শ্ৰেণীকোঠাত ৰাখিব পৰা অনুকূল পৰিৱেশ নোহোৱাৰ কথা উল্লেখ কৰে।

ডিব্ৰুগড় জিলাতো শিক্ষানুষ্ঠানসমূহত শীতকালীন বন্ধ ঘোষণাৰ বাবে কেইবাটাও সংগঠনে দাবী জনাইছে। ৰাজ্যৰ কেইবাখনো জিলাত পাঠদানৰ সময় সাল-সলনি কৰা হৈছে।

০০০০০০

শোণিতপুৰ জিলাৰ বুঢ়াচাপৰি বন্যপ্ৰাণী অভয়াৰণ্যৰ ৮৩০ হেক্টৰ ভূমিত কালি প্ৰশাসনে উচ্ছেদ অভিযান চলায়। তেজপুৰ সদৰ ৰাজহ চক্ৰ আৰু ঢেলামৰা ৰাজহ চক্ৰৰ অধীনৰ জামুকতল, আৰিমাৰি, চিয়ালিচৰ, বাঘেটাপু, লাঠীমাৰী চৰকে ধৰি কেইবাটাও অঞ্চল দখলমুক্ত কৰাৰ বাবে প্ৰশাসনে অঞ্চলটোত আজি অভিযান চলাব। একালত জৈৱ বৈচিত্ৰ্যৰে ভৰপূৰ আৰু দুষ্প্ৰাপ্য উলুম'ৰা পক্ষীৰ বাবে বিখ্যাত অভয়াৰণ্যখনৰ একাংশ দখলকাৰীৰ কবলত পৰিছে। ৪৪ বৰ্গ কিলোমিটাৰজোৰা অভয়াৰণ্যখনত ছহেজাৰ ২০০ বিঘা ভূমিত দখলকাৰীয়ে বাসগৃহ নিৰ্মাণ আৰু কৃষিকাৰ্য কৰি আহিছে। ২০২৩ চনত শোণিতপুৰ জিলা প্ৰশাসনে বুঢ়া চাপৰি অভয়াৰণ্যত উচ্ছেদ চলাই ছহেজাৰ ২০০ বিঘা ভূমিত ক্ষতিপূৰণমূলক বনানিকৰণৰ বাবে আবণ্টন দিছিল। কিন্তু উচ্ছেদৰ ছমাহ পাছতে পুনৰ এই ভূমি একাংশ লোকে দখল কৰে। এমাহ পূৰ্বে উচ্ছেদৰ বাবে এই ভূমি খালী কৰাৰ বাবে প্ৰশাসনে জাননী জাৰি কৰিছিল। জাননী লাভ কৰাৰ পাছতো অঞ্চলটো খালী নকৰাৰ বাবে কালি বৃহৎসংখ্যক সুৰক্ষা কৰ্মীয়ে ৩৬ খন এক্সকেভেটৰ আৰু ৬০ খন ট্ৰেক্টৰেৰে উচ্ছেদ অভিযান চলায়। একাংশ লোকে আৰক্ষী প্ৰশাসনক বাধা দিবলৈ চেষ্টা কৰে যদিও সুৰক্ষা কৰ্মীৰ প্ৰচেষ্টাত পৰিস্থিতি নিয়ন্ত্ৰণ কৰা হয়। উল্লেখযোগ্য যে বুঢ়াচাপৰি সংৰক্ষিত বন্যপ্ৰাণী অভয়াৰণ্যৰ পূবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, পশ্চিমে ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু পবিতৰা অভয়াৰণ্য, উত্তৰ দিশত পাক্কে নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু দক্ষিণে কাৰ্বি আংলঙৰ চহকী সংৰক্ষিত বনাঞ্চল আছে। বনাঞ্চলখন কাজিৰঙালৈ জীৱ-জন্তু প্ৰব্ৰজনৰ সংযোগী কৰিড'ৰ হিচাপে ব্যৱহৃত হৈ আহিছে। বনাঞ্চলখনৰ উত্তৰ সীমাৰে বৈ যোৱা ব্ৰহ্মপুত্ৰৰ টাপুত বিভিন্ন প্ৰজাতিৰ স্তন্যপায়ী, সৰীসৃপ আৰু চৰাইয়ে বিচৰণ কৰে। অভয়াৰণ্যখন দখলমুক্ত কৰাৰ বাবে আজি পুনৰ উচ্ছেদ চলোৱা হ'ব।

০০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত চলি থকা অসম গ্ৰন্থ মেলাৰ আজি সামৰণি পৰিব। অসম গ্ৰন্থমেলাৰ উদ্যোক্তাসকলে প্ৰকাশ কৰা মতে এইবাৰ গ্ৰন্থমেলাত গ্ৰন্থ বিক্ৰীৰ হাৰ আশাব্যঞ্জক আছিল। কালি ত্ৰয়োদশ দিনালৈ গ্ৰন্থমেলাত মুঠ ৬ কোটি ৮০ লাখ টকাৰ গ্ৰন্থ বিক্ৰী হয় বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। আজি বিয়লি আঢ়ৈ বজাত গ্ৰন্থমেলাৰ সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোত ওড়িশাৰ বিশিষ্ট সাহিত্যিক পাৰমিতা শতপথী সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। আনহাতে লেখক-সাহিত্যিক অৰূপ কুমাৰ দত্ত, শিক্ষাবিদ ড০ অমৰজ্যোতি চৌধুৰী আৰু সাহিত্য অকাডেমীৰ অসমীয়া ভাষা উপদেষ্টা সমিতিৰ আহ্বায়ক দিগন্ত বিশ্ব শৰ্মাই বিশিষ্ট অতিথি হিচাপে অনুষ্ঠানত অংশগ্ৰহণ কৰিব। সন্ধিয়া ৫ বজাত গ্ৰন্থমেলাৰ বাকৰিত সাংস্কৃতিক অনুষ্ঠান ৰূপায়ণ কৰা হ'ব।

০০০০০০

বিশ্বনাথ জিলাৰ মঘাই ওজা ক্ষেত্ৰত কালি বিশ্বনাথ চাৰিআলিৰ পৰা তেজপুৰলৈ চলিবলগীয়া শীত-তাপ নিয়ন্ত্ৰিত বৈদ্যুতিক বাছৰ শুভাৰম্ভ কৰা হয়। অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধ্যক্ষ পল্লৱলোচন দাসে শীত-তাপ নিয়ন্ত্ৰিত বৈদ্যুতিক বাছৰ চলাচল আনুষ্ঠানিকভাৱে মুকলি কৰে। অনুষ্ঠানত পৰিবহণ নিগমৰ উপাধ্যক্ষ প্ৰণৱজ্যোতি লহকৰ, পৰিচালন সঞ্চালক চিন্ময় প্ৰকাশ ফুকন, জিলা আয়ুক্ত লক্ষীনন্দন চহৰীয়া আদিয়েও অংশগ্ৰহণ কৰে। পৰিবহণ

নিগমৰ অধ্যক্ষ পল্লৱলোচন দাসে প্ৰকাশ কৰা মতে অনাগত দিনত আৰু এখন বৈদ্যুতিক বাছ বিশ্বনাথ জিলাত চলাচলৰ বাবে মুকলি কৰা হ'ব।

**বাইট (পল্লৱলোচন দাস)**

০০০০০০

৫ দশমিক ১ প্ৰাবল্যৰ ভূমিকম্পই কালি পুৱা ৪ বাজি ১৭ মিনিটত সমগ্ৰ ৰাজ্য জোকাৰি যোৱাৰ বাতৰি আজি প্ৰকাশিত **অসমীয়া প্ৰতিদিন, দি আছাম ট্ৰিবিউন** কাকতৰ লগতে আন আন কাকতসমূহেও প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দৈনিক অগ্ৰদূত** কাকতৰ এই বাতৰিৰ শিৰোনাম- 'ৰাজ্যত সঘন ভূমিকম্পত কিহৰ ইংগিত'। **দৈনিক অসম** কাকতে এই বাতৰিক 'সাৱধান! ৰাজ্যত বৰভূঁইকঁপৰ আশংকা' শিৰোনামেৰে প্ৰকাশ কৰিছে।

সত্ৰাধিকাৰ, উত্তৰ-পূবৰ প্ৰথমগৰাকী ফুটবল নিৰ্মাতা, উদ্যোগপতি, সত্ৰৰত্ন সন্মানেৰে বিভূষিত লক্ষ্মীকান্ত মহন্তৰ ৪ জানুৱাৰীৰ নিশা দেহাৱসানৰ বাতৰিটো **অসমীয়া খবৰ** আৰু **আমাৰ অসম** কাকতৰ লগতে আন আন কাকতসমূহেও প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে।

বাংলাদেশত কালি সন্ধিয়া ৰাণা প্ৰতাপ বৈৰাগী নামৰ এগৰাকী হিন্দু সাংবাদিকক অচিনাক্ত দুৰ্বৃত্তই গুলীয়াই হত্যা কৰাৰ বাতৰি দ্য **টাইমছ অব ইণ্ডিয়া**ৰ লগতে আন কাকতসমূহেও গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

মাৰ্কিন ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে ভাৰতৰ বিৰুদ্ধে শীঘ্ৰে পুনৰ টেৰিফ ৰাৰৰ হুংকাৰ দিছে। ভাৰতীয় সামগ্ৰীৰ ওপৰত অধিক শুল্ক আৰোপ কৰিবলৈ আমেৰিকা তৎপৰ হৈছে। **নিয়মীয়া বাৰ্তা** আৰু **দা ছেণ্টিনেল** কাকতে এই বাতৰিক প্ৰধান বাতৰিৰ স্থান দিছে।

গুৱাহাটীত দেৱাল লিখনেৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিজেপিৰ নিৰ্বাচনী প্ৰচাৰৰ আৰম্ভ কৰাৰ বাতৰি আলোকচিত্ৰসহ **দৈনিক অসম** কাকতৰ লগতে আন আন কাকতসমূহেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

'মহিলাই নিৰ্ণয় কৰিব ৰাজ্যৰ ভাগ্য' শিৰোনামেৰে **দৈনিক জনমভূমি** কাকতে ৭৪ টা বিধানসভা সমষ্টিত পুৰুষ ভোটাৰৰ সংখ্যা হ্ৰাস পোৱা আৰু ৰাজ্যৰ ৰাজনীতিত মহিলা শক্তিৰ গুৰুত্ব ক্ৰমাৎ বৃদ্ধি পোৱাৰ বিষয়ে সবিস্তাৰে বাতৰি প্ৰকাশ কৰিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

উত্তৰ গুৱাহাটীৰ ৰংমহলত অহা দেওবাৰে সংহত ন্যায়িক আদালত ভৱনৰ আধাৰশিলা স্থাপন কৰা হ'ব। এই অনুষ্ঠানত দেশৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ উজ্বল ভূঞা, ন্যায়াধীশ সন্দীপ মেহতা, ন্যায়াধীশ এন ক'টিশ্বৰ সিং আৰু ন্যায়াধীশ বিজয় বিষ্ণয়, আইন আৰু ন্যায় ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০০

গুৱাহাটীৰ জ্যোতি চিত্ৰবনত  অহা ২২ জানুৱাৰীত চাৰিদিনীয়া কাৰ্যসূচীৰে গুৱাহাটী এছীয় চলচ্চিত্ৰ মহোৎসৱ অনুষ্ঠিত হ'ব। উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক জগতখনক উজলাই তোলাৰ লক্ষ্য আগত ৰাখি এইবেলি এই মহোৎসৱ দ্বিতীয় বাৰৰ বাবে আয়োজন কৰা হৈছে। এই মহোৎসৱত প্ৰদৰ্শন হ'বলগীয়া চলচ্চিত্ৰসমূহৰ তালিকা কালি ঘোষণা কৰা হয়। মহোৎসৱৰ উদ্বোধনী চলচ্চিত্ৰ হিচাপে শ্নোকিৰ খুলিক'ভে পৰিচালনা কৰা উজবেকিস্তানী চলচ্চিত্ৰ **চানডে** প্ৰদৰ্শন কৰা হ'ব। আলৰেজা ঘাছেমি আৰু ৰাহা আমিৰ ফজলীৰ যুটীয়া পৰিচালনাৰ ইৰাণী চলচ্চিত্ৰ **ইন দ্য লেণ্ড অব ব্ৰাডাৰ্ছৰ** প্ৰদৰ্শনীৰে এই মহোৎসৱৰ সামৰণি পৰিব। এই অনুষ্ঠানত কিম্বদন্তী ভাৰতীয় চলচ্চিত্ৰ পৰিচালক গিৰিশ কাছাৰাৱল্লিয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল পুৱাৰ ভাগত ঘন কুঁৱলীয়ে আৱৰি ৰাখিব। পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে ঘন কুঁৱলী পৰাৰ আৰু মেঘালয়ৰ কিছু স্থানত বিজুলী-ঢেৰেকনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

শিৱসাগৰ জিলাৰ জাঁজী মৰাণছিগাৰ মহাভৈৰৱ সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত আৰু মৰাণছিগাবাসীৰ সহযোগত কালিৰেপৰা ৯ জানুৱাৰীলৈ প্ৰথমবাৰৰ বাবে সদৌ অসম ভিত্তিত শিশু ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। এই উপলক্ষে কালি পুৱা পতাকা উত্তোলন, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, গছপুলি ৰোপণ, প্ৰতিযোগিতাৰ আসন প্ৰতিষ্ঠা, শৰাই অৰ্পণ, কীৰ্তন পাঠ আদি কৰা হয়। সন্ধিয়া প্ৰথম দিনাৰ ভাওনাত গোলাঘাটৰ সাৰংগপানী শিল্পী সমাজৰ দ্বাৰা 'ভাতৃবধু' নাট পৰিৱেশন কৰা হয়। ইয়াৰ পাছতে মৰাণহাটৰ বকুলবন নাট্যগোষ্ঠীয়ে 'ৰাম পৰাজয়-সীতাৰ পাতাল গমন' নাট পৰিৱেশন কৰে। আজি শিৱসাগৰৰ কুহেলিকা নাট্যগোষ্ঠীয়ে সিন্ধুমণিৰ পিতৃ ভক্তি, দশৰথৰ স্বৰ্গ উদ্ধাৰ আৰু দুলীয়াজানৰ আলোক সমন্বয় নাট্য গোষ্ঠীয়ে দক্ষ যজ্ঞ নাট পৰিৱেশন কৰে। ৯ জানুৱাৰীত সদৌ অসম শিশু ভাওনা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হ'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

oooooo

**সমাপ্ত**